তোমাৰ মাজত এনেকুৱা দুটা গুণ আছে, যিটো আল্লাহে ভালপায়, সেয়া হৈছেঃ সহনশীলতা আৰু স্থিৰতা।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আব্দুল কাইছ (গোত্ৰ)ৰ আহত ব্যক্তিক ক'লেঃ "তোমাৰ
মাজত এনেকুৱা দুটা গুণ আছে, যিটো আল্লাহে ভালপায়, সেয়া হৈছেঃ সহনশীলতা আৰু
স্থিৰতা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আব্দুল কাইছ গোত্ৰৰ আহত দলপতি মুনজিৰ ইবনু আয়েজ ৰাদ্বিয়াল্লাহু আনহুক কৈছিল যে, তোমাৰ মাজত এনেকুৱা দুটা বৈশিষ্ট্য আছে, যিটোক আল্লাহে ভাল পায়। সেই বৈশিষ্ট্য দুটা হৈছেঃ সহনশীল বুদ্ধিমত্তা তথা গাম্ভীৰ্যতা আৰু ধীৰ স্থিৰতা।

http://www.sunnah.global/hadeeth/as/show/5800